# 2018

## ASSAMESE

## ( Major )

Paper : 1.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা (এটা বা দুটা শব্দত) : ১×১০=১০

(ক) 'বান্দৰ আৰু শিয়াল' সাধুটো কোন শ্ৰেণীৰ সাধু ?

(খ) অসমীয়া ভাষাত ৰচিত এবিধ মন্ত্ৰৰ নাম লিখা।

(গ) অসমীয়া সমাজত প্ৰচলিত 'কুঁহিয়াৰ পেৰা গীত' লোকগীতৰ কোনটো ভাগৰ অন্তৰ্গত ?

(ঘ) 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যৰ আধাৰ গ্ৰন্থ কি ?

(ঙ) 'সাত্যকি প্ৰৱেশ' কোনে লিখিছিল ?

(চ) 'ৰামায়ণ'ৰ আধাৰত শংকৰদেৱে ৰচনা কৰা অংকীয়া নাটখনৰ নাম কি ?

(ছ) 'গুৰু-ভটিমা'ৰ ৰচক কোন ?

(জ) অনন্ত কন্দলিৰ কবিজীৱনৰ প্ৰথম কাব্যখনৰ নাম কি ?

(ঋ) অসমৰ প্ৰাচীনতম লিপি কোনখন ?

(এঃ) মধ্যযুগত সংস্কৃত টোলক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অসমীয়া লিপিবিধৰ নাম কি ?

২। এটা বা দুটা বাক্যত উত্তৰ লিখা : ২×৫=১০

(ক) বাৰমাহী গীত কোন শ্ৰেণীৰ গীত ? অসমীয়া বাৰমাহী গীত কোন মাহৰ পৰা আৰম্ভ হয় ?

(খ) হৰিবৰ বিপ্ৰৰ যুদ্ধ কাব্য দুখনৰ নাম লিখা।

(গ) কোনটো গীতক শংকৰদেৱৰ প্ৰথম বৰগীত বুলি কোৱা হয় ? গীতটো তেওঁ কোন ঠাইত ৰচনা কৰিছিল ?

(ঘ) ভাগৱত শাস্ত্ৰত থকা পাণ্ডিত্যৰ বাবে অনন্ত কন্দলিক কোন দুটা উপাধি দিয়া হৈছিল ?

(ঙ) গুপ্ত লিপিৰ আখৰৰ সৈতে অসমৰ কোন দুখন প্ৰাৰম্ভিক লিপিৰ সাদৃশ্য পৰিলক্ষিত হয় ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অসমীয়া ভক্তিমূলক গীত সম্পৰ্কে এটি চমু টোকা প্ৰস্তুত কৰা।

(খ) প্ৰাক্-শংকৰী যুগৰ সাহিত্যত জতুৱা ঠাঁচ-পটন্তৰৰ ব্যৱহাৰৰ বিষয়ে লিখা।

(গ) বৰগীতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(ঘ) এগৰাকী পাঁচালী কবিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(ঙ) সুৰেন্দ্ৰ বৰ্মাৰ উমাচল শিলালিপি আৰু নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰ লিপি সন্দৰ্ভত এটি চমু আলচ যুগুত কৰা।

৪। (ক) গোৱালপৰীয়া লোকগীতৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) ডাকৰ বচনত উল্লিখিত ৰীতি-নীতি, বাধা-নিষেধ, কৃষি-কৰ্ম, জাত-কৰ্ম আদিৰ পুংখানুপুংখ বিৱৰণৰ মাজেৰে লোকজীৱনৰ প্ৰকাশ কেনেদৰে ঘটিছে, আলোচনা কৰা। ২+৮=১০

৫। (ক) 'সপ্তকাণ্ড ৰামায়ণ'ৰ আধাৰত মাধৱ কন্দলিৰ কাব্য-প্ৰতিভা বিচাৰ কৰা। ১০

*অথবা*

(খ) অসমীয়া কাব্য-সাহিত্যৰ ইতিহাসত হৰিবৰ বিপ্ৰৰ স্থান নিৰূপণ কৰা। ১০

৬। (ক) কি কি বিষয়ত শংকৰদেৱৰ অংকীয়া নাটৰ সৈতে মাধৱদেৱৰ ঝুমুৰাৰ পাৰ্থক্য পৰিলক্ষিত হয়, বিচাৰ কৰা। ১০

*অথবা*

(খ) ৰাম সৰস্বতীৰ বধ কাব্য সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা। ১০

৭। (ক) খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈ অসমীয়া লিপিৰ গতি-প্ৰকৃতি সন্দৰ্ভত আলোচনা কৰা। ১০

*অথবা*

(খ) মধ্যযুগীয় অসমীয়া লিপিৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা। ১০

★★★

# 2018

## ASSAMESE

## ( Major )

Paper : 1.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) চৰ্যাপদৰ ভাষাটোক কি ভাষা বুলি কোৱা হয় ?

(খ) 'চঞ্চল চিএ পইঠো কাল'—ইয়াত 'চিএ' শব্দটোৰ অৰ্থ কি ?

(গ) প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি কোন ?

(ঘ) বৰ্তমান প্ৰাপ্ত 'সপ্তকাণ্ড ৰামায়ণ'ৰ 'উত্তৰাকাণ্ড'ৰ ৰচক কোন ?

(ঙ) শ্ৰীধৰ কন্দলিয়ে নিচুকণি গীতৰ আৰ্হিত ৰচনা কৰা কাব্যখনৰ নাম কি ?

(চ) কি উপলক্ষত নন্দই উৎসৱৰ আয়োজন কৰিছিল ?

(ছ) দুৰ্গাবৰ ৰচিত মনসা মাহাত্ম্য প্ৰকাশক পুথিখনৰ নাম কি ?

(জ) ৰাঘৱে কোন নদীৰ তীৰত জিৰণি লৈছিল ?

(ঝ) পীতাম্বৰক কোনে 'তামসিক কবি' বুলি কৈছিল ?

(ঞ) চিত্ৰপটত চিত্ৰ আঁকাৰ পূৰ্বে চিত্ৰলেখাই কাৰ পৰা বৰ লাভ কৰিছিল ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) প্ৰাচীন অসমীয়া কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থালয়ৰ পৰা কোনে 'চৰ্যাপদ'-সমূহ সংগ্ৰহ কৰি আনিছিল আৰু কি নামেৰে প্ৰকাশ কৰিছিল, লিখা।

(গ) "জনকৰ জীৱ দেখ নদী মন্দাকিনী।
তোমাৰ সদৃশ সুশোভিত মধ্যক্ষিণী ॥"

ইয়াত 'জনকৰ জীৱ' বুলি কাক বুজোৱা হৈছে? কাব্যাংশত থকা কথাখিনিৰ বক্তা কোন?

(ঘ) নন্দোৎসৱ উপলক্ষে গোপবালকসকলে নিজকে কেনেদৰে সজ্জিত কৰিছিল, লিখা।

(ঙ) "সপ্ত তুৰংগম মধ্যে দেৱ দিনপতি।
ময়ূৰে লেখিলা দেৱ হৰৰ সন্ততি ॥"

কাব্যাংশত উল্লিখিত 'দিনপতি' আৰু 'হৰৰ সন্ততি' বুলি কাৰ কাৰ কথা কোৱা হৈছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ভণই লুই আম্হে ঝাণে দিঠা।
ধমণ চমণ বেণি পাণ্ডি বইঠা॥

(খ) বান্ধিল উচ্চল খোপা পুষ্পে ভৰি কেশ।
আখিত অঞ্জন শিখে সিন্দূৰ বিশেষ॥
মুখ পংকজক আতি ৰঞ্জিল কুমকুমে।
হাতত সন্দেশ চলি যায় জুমাজুমে॥

(গ) হলীৰাম ৰূপে লাঙ্গল ধৰিলো
সম কৰি খাল বাম।
সমস্তে পৃথিৱী বাই বাটি থৈলো
লৈলো হলধৰ নাম॥

(ঘ) ৰামৰ বচনে সীতা দিলন্ত উত্তৰ।
এহিসে কাৰণে চিন্তা কৰা ৰঘুবৰ॥
স্ৰজিবো অযোধ্যাপুৰী পাত্ৰ-মন্ত্ৰী-গণ।
এহি থানে দিবো প্ৰভু কৰা ৰংগমন॥

(ঙ) পৰিহৰ সকল বিকল অকাৰণ।
আপোনাৰ ঘৰে সখি কৰোহো গমন॥
সাত দিন অন্তৰে আসিবো পট লৈয়া।
এড় মনতাপ সখি থাক স্বস্ত হৈয়া॥

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) প্ৰাচীন অসমীয়া কবিতাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

*অথবা*

'চৰ্যাপদ'ত প্ৰতীক আৰু ৰূপকৰ প্ৰয়োগ কেনেদৰে ঘটিছে, পাঠৰ অন্তৰ্গত চৰ্যাটিৰ আধাৰত আলোচনা কৰা।

(খ) মাধৱ কন্দলিৰ 'চিত্ৰকূটৰ চিত্ৰ' কাব্যাংশত প্ৰকৃতিৰ চিত্ৰ কিদৰে ৰূপায়ণ কৰা হৈছে, আলোচনা কৰা।

*অথবা*

শংকৰদেৱৰ 'নন্দোৎসৱ' কাব্যাংশ ভাগৱতৰ কোনটো স্কন্ধৰ পৰা গ্ৰহণ কৰা হৈছে? এই কাব্যাংশৰ মাজেৰে ভাৰতীয় জীৱনৰ জাতকৰ্ম সম্পৰ্কীয় ক্ৰিয়াকলাপৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(গ) শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' কবিতাটিৰ জৰিয়তে শ্ৰীকৃষ্ণৰ মানৱীয় আৰু ঐশ্বৰিক ৰূপ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

*অথবা*

'মায়া অযোধ্যাৰ সৃষ্টি আৰু চৈত্ৰাৱলী চতুৰ্দশীৰ মোট খেলা' কবিতাটিত দুৰ্গাবৰৰ কাব্যিক প্ৰতিভা কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা।

(ঘ) পীতাম্বৰ কবিৰ 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কাব্যাংশ কোন কাব্যৰ পৰা অনা হৈছে? এই কাব্যাংশত চিত্ৰলেখাই স্বৰ্গৰ কোন কোন পুৰুষৰ পট, কেনেদৰে নিৰ্মাণ কৰিছিল, আলোচনা কৰা।

*অথবা*

পাঁচালী কাব্যৰ লৌকিকতা আৰু জনপ্ৰিয়তা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

★★★